# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-12-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি **জলবাহক** শীৰ্ষক কাৰ্গ' আঁচনি আৰু নিৰ্ধাৰিত সেৱাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে কলকাতাৰ জি আৰ জেট্টীত আয়োজিত অনুষ্ঠানত মন্ত্ৰী শ্ৰীসোণোৱালে গংগা নৈৰ এক নম্বৰ ৰাষ্ট্ৰীয় জলপথ, দুই নম্বৰ ব্ৰহ্মপুত্ৰ নৈৰ ৰাষ্ট্ৰীয় জলপথ আৰু ১৬ নম্বৰ বৰাক নৈৰ ৰাষ্ট্ৰীয় জলপথেৰে দক্ষ, ব্যয়সাপেক্ষ আৰু বহনক্ষম পৰিবহণৰ বাবে শক্তিৰ সঞ্চাৰ কৰাৰ লক্ষ্যৰে আঁচনিখনৰ আৰম্ভণি কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত এক নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ পাটনা হৈ কলকাতা আৰু বাৰাণসীৰ মাজৰ অংশত আৰু ভাৰত-বাংলাদেশ প্ৰট'কল জলপথ হৈ দুই নম্বৰ ৰাষ্ট্ৰীয় জলপথৰ জৰিয়তে কলকাতা আৰু গুৱাহাটীৰ পাণ্ডুৰ মাজত এই সেৱাৰ আৰম্ভ কৰা হৈছে। এই সেৱাৰ জৰিয়তে বিভিন্ন সা-সামগ্ৰী জলপথেৰে প্ৰেৰণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। এই আঁচনিখনে অহা ৩ বছৰৰ ভিতৰত জলপথলৈ প্ৰায় ৮০০ নিযুত টন সামগ্ৰী স্থানান্তৰ কৰিব বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বলিষ্ঠ নেতৃত্বত আভ্যন্তৰীণ জলপথৰ দ্বাৰা দেশৰ অৰ্থনীতি, বাণিজ্য আৰু সংযোগক ত্বৰান্বিত কৰাৰ দিশত এয়া এক মাইলৰ খুঁটি বুলি তেওঁ মত প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শান্তনু ঠাকুৰ, উত্তৰ প্ৰদেশৰ পৰিবহণ মন্ত্ৰী দয়াশংকৰ সিং প্ৰমুখ্যে মন্ত্ৰালয়, ভাৰতীয় আভ্যন্তৰীণ জলপথ প্ৰাধিকৰণ আৰু ভাৰতীয় জাহাজ পৰিবহণ নিগমনৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

ooooo

নগাঁও জিলাৰ ৰাইদঙিয়াৰ সমীপৰৰ্ত্তী আইভেটি কৰচোং উদয় চন্দ্ৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱত আজি ৰাজ্য চৰকাৰৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি হিচাপে উপস্থিত থাকে। হাতীচোং মৌজাৰ এই অগ্ৰণী শিক্ষানুষ্ঠানখন ১৯৭৪ চনত স্থাপন কৰা হৈছিল। এই সোণালী জয়ন্তী উৎসৱত অংশগ্ৰহণ কৰি মন্ত্ৰী কেশৱ মহন্তই কয় যে উদয় চন্দ্ৰ শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়ে সুদীৰ্ঘ ৫০ বছৰ শৈক্ষিক জাগৰণৰ সৃষ্টি সমাজলৈ বিশেষ অৰিহনা আগবঢ়াই আহিছে। তেওঁ লগতে কয় যে শিক্ষানুষ্ঠানখনে বহু সুদক্ষ মানৱ সম্পদ সৃষ্টি কৰিছে। প্ৰতিষ্ঠাৰ ৫০ বছৰ পূৰ্ণ কৰা উপলক্ষে দুদিনীয়াকৈ আয়োজন কৰা সোণালী জয়ন্তী মহোৎসৱৰ আজি দ্বিতীয় দিনটোত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, সোণালী জয়ন্তী উদযাপন সমিতিৰ বিষয়ববীয়া আৰু অঞ্চলটোৰ ৰাইজক মন্ত্ৰী মহন্তই শুভেচ্ছা জ্ঞাপন কৰে।

ooooo

ডিব্ৰুগড়ত আজি প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ ট্ৰাষ্টৰ উদ্যোগত কেন্সাৰ সজাগতা তথা ইয়াৰ উপশমী চিকিৎসাৰ বাবে অনুষ্ঠিত দুদিনীয়া বিশেষ অনুষ্ঠানৰ সামৰণি পৰে। বৰ্তমানলৈকে এই ট্ৰাষ্টৰ উদ্যোগত

৩০০ৰো অধিক ৰোগী উপকৃত হৈছে বুলি সংস্থাটোৰ নেত্ৰী ডাঃ গায়ত্ৰী গগৈয়ে সদৰি কৰে। অসমৰ লগতে বহিঃৰাজ্যৰ ১৮০গৰাকী চিকিৎসক, সমাজ সেৱকে আজিৰ অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্যৰ দৰিদ্ৰ জনসাধাৰণৰ বাবে গ্ৰহণ কৰা চৰকাৰৰ অৰুণোদয় আঁচনিৰ ব্যৱস্থা আজিৰ পৰা পৰিৱৰ্তন হ'ব। সৰুসজাই ষ্টেডিয়ামত আজি অনুষ্ঠিত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচীৰ উদ্বোধন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে পূৰ্বে অৰুণোদয় আঁচনিৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হোৱা নাছিল। কিন্তু এতিয়াৰে পৰা আঁচনিখনৰ সুবিধা লাভৰ বাবে ৰেচন কাৰ্ডৰ প্ৰয়োজন হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসম মন্ত্ৰী সভাৰ সিদ্ধান্ত অনুসৰি এই নতুন ৰেচন কাৰ্ড বিতৰণৰ আনুষ্ঠানিক কাৰ্যসূচীৰ প্ৰথম পৰ্যায় প্ৰায় ৭ লাখতকৈ অধিক নতুন হিতাধিকাৰীয়ে খাদ্য সুৰক্ষা আইনৰ অধীনত ৰেচন কাৰ্ডৰ সুবিধা লাভ কৰিব। আনহাতে ডিচেম্বৰ মাহত ভিতৰতে নতুনকৈ ৰেচন কাৰ্ড লাভ কৰা পৰিয়ালসমূহৰ প্ৰতিগৰাকী সদস্যই ৫ কিলোগ্ৰামকৈ বিনামূলীয়া চাউল লাভ কৰিব বুলি তেওঁ কয়। উল্লেখযোগ্য যে নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ত কামৰূপ মহানগৰৰ লগতে বজালী, বিশ্বনাথ, চৰাইদেউ, ডিব্ৰুগড়, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, লখিমপুৰ, মাজুলী, নলবাৰী, শিৱসাগৰ, শোণিতপুৰ, দক্ষিণ শালমাৰা, শ্ৰীভূমি, তিনিচুকীয়া, পশ্চিম কাৰ্বি আংলং জিলাকো সামৰি লোৱা হৈছে।

০০০০০

ৰাজ্যত আজি নতুন বিধানসভা সমষ্টি ভিত্তিত প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী হিচাপে আনুষ্ঠানিকভাৱে বিতৰণ কৰা হয়। তিনিচুকীয়া জিলাৰ ডুমডুমা বিধানসভা সমষ্টি, মাকুম বিধানসভা সমষ্টি, তিনিচুকীয়া বিধানসভা সমষ্টি, শদিয়া বিধানসভা সমষ্টি, মাৰ্ঘেৰিটা বিধানসভা সমষ্টি আৰু ডিগবৈ বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। জিলাখনৰ আটাইকেইটা বিধানসভা সমষ্টিৰ মুঠ ৮৩ হাজাৰ ৯৫২গৰাকী হিতাধিকাৰী এই নতুন ৰেচন কাৰ্ডৰ দ্বাৰা উপকৃত হ'ব।

মাজুলী জিলাতো আজি ৰাষ্ট্ৰীয় খাদ্যসুৰক্ষা আইন, ২০১৩ৰ অধীনত নতুন ৰেচন কাৰ্ড বিতৰণৰ প্ৰথম পৰ্যায়ৰ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলাখনত ১৩ হাজাৰ ৬৭৭গৰাকী নতুন হিতাধিকাৰীৰ সংযোজনৰ ফলত মুঠ ৯ হাজাৰ ৮৭৮টা পৰিয়াল উপকৃত হ'ব।

০০০০০

সমাপ্ত